# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 06-08 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। ফিজি ভ্ৰমণৰত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দেশখনৰ ৰাজধানী চহৰ ছুৱাত উপস্থিত হৈছে।

২। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ কালিৰ পদত্যাগৰ পাছতে দেশখনত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰা হ'ব বুলি ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনে ঘোষণা কৰিছে।

৩। নতুন দিল্লীত কালি অনুষ্ঠিত সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰ বৈঠকত বাংলাদেশৰ পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰা হয়।

৪। হঠাতে হোৱা বানৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী পৌৰ নিগমৰ অধীনস্থ এলেকাসমূহত আজি সকলো শৈক্ষিক প্ৰতিষ্ঠান বন্ধ থাকিব। **আৰু**

৫। ভাৰত আজি অলিম্পিকৰ পুৰুষৰ হকীৰ ছেমি ফাইনেলত জাৰ্মানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ফিজি ভ্ৰমণৰত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দেশখনৰ ৰাজধানী চহৰ ছুৱাত উপস্থিত হৈছে। ৰাষ্ট্ৰপতিগৰাকীক ৰাজধানী চহৰখনত উপস্থিত হোৱাৰ পাছত দেশখনৰ প্ৰধানমন্ত্ৰী ছিটিভেনী ৰাবুকাই আদৰণি জনায়। ইপিনে দেশখনৰ সেনা বাহিনীয়ে শ্ৰীমতী মুৰ্মুক আনুষ্ঠানিকভাৱে গাৰ্ড অৱ অনাৰেৰে আদৰণি জনায়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ছুৱাত ফিজিৰ ৰাষ্ট্ৰপতি কাটনিভেৰে আৰু প্ৰধানমন্ত্ৰী ছিটিভেনী ৰাবুকাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তেওঁ ফিজিৰ সংসদত ভাষণ দিয়াৰ লগতে সমূহীয়া মত বিনিময় অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। শ্ৰীমতী মুৰ্মুৱে ভাৰত আৰু ফিজিৰ ঐতিহাসিক সম্পৰ্ক ত্বৰান্বিত কৰাৰ উদ্দেশ্যে দেশখনত থকা ভাৰতীয় লোকসকলৰ সৈতেও বাৰ্তালাপ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে ছুৱাৰ গান্ধী মেম'ৰিয়েল কলেজ পৰিদৰ্শন কৰাৰ লগতে নাদিৰ শ্ৰী শিৱা সুব্ৰমনিয়া স্বামী মন্দিৰো দৰ্শন কৰিব।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমতী মুৰ্মুৱে ৮ আৰু ৯ আগষ্টত নিউজিলেণ্ড ভ্ৰমণ কৰিব। তাত তেওঁ দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ লগতে ৱেলিংটনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দিব। তদুপৰি তেওঁ অ'কলেণ্ডত আয়োজিত এটা সমূহীয়া অভ্যৰ্থনা অনুষ্ঠানত প্ৰৱাসী ভাৰতীয় আৰু ভাৰতৰ মিত্ৰসকলৰ সৈতে মত বিনিময় কৰিব।

শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত ১০ আগষ্টত টিম'ৰলেষ্টত উপস্থিত হ'ব। এয়া হ'ব দেশখনলৈ কোনো এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথমটো ভ্ৰমণ। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে দেশখনৰ ৰাষ্ট্ৰপতি জছ ৰামছ-হ'ৰটা আৰু প্ৰধানমন্ত্ৰী জানানা গুছমাউৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তেওঁ দেশখনত বাস কৰা ভাৰতীয়সকলে আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠানতো ভাগ ল'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ এই ত্ৰিদেশীয় ভ্ৰমণ ভাৰতৰ পূবলৈ চোৱা নীতিৰ শক্তিশালী প্ৰতিফলনৰূপে বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা দশক পূৰ্বে নৰম পূব এছিয়া শীৰ্ষ সন্মিলনৰ সময়ত এই নীতিৰ বিষয়ে প্ৰথমে প্ৰকাশ কৰিছিল। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে অঞ্চলটোৰ প্ৰতি ভাৰতৰ কূটনৈতিক আৰু অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণে লগতে দক্ষিণ পূব এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ প্ৰতীয়মান কৰিছে।

০০০০০

বাংলাদেশৰ ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনে সংসদ ভংগ হোৱাৰ পাছতে তৎকালীনভাৱে এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰা হ ’ব বুলি মন্তব্য কৰিছে। স্থল , নৌ আৰু বায়ু সেনাৰ তিনিওগৰাকী মুৰব্বীৰ উপস্থিতিত ঢাকাৰ বংগভৱনত বিভিন্ন ৰাজনৈতিক দলৰ নেতা আৰু নাগৰিক সমাজৰ প্ৰতিনিধিৰ সৈতে হোৱা বৈঠকত তেওঁ এই মন্তব্য কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে , সেনাই সাম্প্ৰতিক অৰাজক পৰিস্থিতি স্বাভাৱিক কৰাৰ ব্যৱস্থা কৰিব। বৈঠকত কেইবাটাও গোচৰত দোষী সাব্যস্ত হোৱাৰ পাছত গৃহবন্দী হৈ থকা বাংলাদেশ নেশ্যনেলিষ্ট পাৰ্টিৰ অধ্যক্ষ তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জিয়াক মুকলি কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাষ্ট্ৰপতি ছাহাবুদ্দিনে প্ৰতিবাদৰ সময়ত গ্ৰেপ্তাৰ হোৱা সকলো ছাত্ৰ-ছাত্ৰীক মুকলি কৰি দিয়াৰো নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে কালি দেশখনৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই পদত্যাগ কৰাৰ পাছতে এখন সামৰিক বিমানেৰে দেশ ত্যাগ কৰে। ইয়াৰ লগে লগে সেনা বাহিনীয়ে তৎকালীনভাবে দেশৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে। সেনাবাহিনীৰ প্ৰচাৰ বিভাগ-আই এছ পি আৰে জনোৱামতে সেনা প্ৰধান ৱাকাৰ-উজ-জামানে অতি শীঘ্ৰে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ প্ৰতিনিধিক সাক্ষাৎ কৰিব। সেনা প্ৰধানগৰাকীয়ে জনোৱা অনুসৰি আজি দেশখনৰ সকলো চৰকাৰী আৰু অৰ্দ্ধ চৰকাৰী কাৰ্যালয় , ব্যক্তিগত কাৰ্যালয় , উদ্যোগ তথা বিদ্যালয় , মহাবিদ্যালয়, মাদ্ৰাছা, বিশ্ববিদ্যালয়কে ধৰি সকলো শিক্ষানুষ্ঠান খোলা থাকিব।

০০০০০

এয়াৰ ইণ্ডিয়াই তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ঢাকালৈ অহা-যোৱা কৰা সকলো বিমানৰ চলাচল বাতিল কৰিছে। এয়াৰ ইণ্ডিয়াই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এটা বিবৃতিত কয় যে, তেওঁলোকে শেহতীয়া পৰিস্থিতিত অহৰ্নিশে নিৰীক্ষণ কৰি আছে আৰু আগতিয়াকৈ টিকট কৰি থোৱা যাত্ৰীসকলৰ টিকটৰ মূল্য ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিছে। যাত্ৰীসকলে অধিক তথ্যৰ বাবে এয়াৰ ইণ্ডিয়াৰ ০১১-৬৯৩২৯৩৩৩ / ০১১-৬৯৩২৯৯৯৯ নম্বৰত ফোন কৰিব পাৰিব।

ইপিনে বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কালি সীমান্ত সুৰক্ষা বাহিনী-বি এছ এফে কয় যে , ভাৰত-বাংলাদেশ সীমান্তৰ পৰিস্থিতি বৰ্তমানলৈকে স্বাভাৱিক হৈ আছে। বাহিনীটোৱে জনোৱা মতেভাৰত-বাংলাদেশ সীমান্তৰ পৰিস্থিতি ত তীক্ষ্ণ দৃষ্টি ৰখা হৈছে আৰু যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ জোৱানসকল সক্ষম হৈ আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি নতুন দিল্লীত অনুষ্ঠিত সুৰক্ষা বিষয়ক কেবিনেট কমিটী বৈঠকত বাংলাদেশৰ পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু কেবিনেটৰ অন্যান্য সদস্যসকলে অংশগ্ৰহণ কৰে।

০০০০০

গুৱাহাটী কালি বিয়লি ধাৰাষাৰ বৰষুণৰ ফলত হঠাতে অহা বানৰ বাবে স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হয়। মুষলধাৰ বৰষুণৰ ফলত গুৱাহাটীৰ বিভিন্ন অঞ্চলত বানৰ সৃষ্টি হোৱাৰ বাতৰি পোৱা গৈছে। বিভিন্ন ঠাইত পানী জমা হোৱাৰ ফলত মহানগৰৰ ঠায়ে ঠায়ে দীঘলীয়া যান-জঁটৰ সৃষ্টি হয়। হঠাতে হোৱা বানৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী পৌৰ নিগমৰ অধীনস্থ এলেকাসমূহত আজি মহাবিদ্যালয় আৰু ক'চিং চেণ্টাৰসমূহকে ধৰি সকলো শৈক্ষিক প্ৰতিষ্ঠান বন্ধ থাকিব বুলি ঘোষণা কৰা হৈছে।

০০০০০

কেৰালাৰ ৱায়নাডৰ ভূমিস্খলনত ক্ষতিগ্ৰস্ত চুৰালমালা অঞ্চলৰ পৰা উদ্ধাৰ অভিযানত কালি দুটা মৃতদেহ উদ্ধাৰ কৰা হয়। এইপৰ্যন্ত ভূমিস্খলনৰ ফলত ৱায়নাডত ৩০০ৰো অধিক লোকে প্ৰাণ হেৰুওৱাটো নিশ্চিত হৈছে। ইয়াৰে ৩১টা শৱদেহ আৰু উদ্ধাৰ কৰা ১৫৮টা দেহৰ বিভিন্ন অংশ কালি বিয়লি পুথুমালাত সমাধিস্থ কৰা হয়। ৱায়নাড জিলাত এতিয়াও ৬ হাজাৰতকৈ অধিক লোক বিভিন্ন আশ্ৰয় গৃহত থকা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

ভাৰতৰ অবিনাশ ছাবলেই পুৰুষৰ ৩ হাজাৰ মিটাৰ ষ্টিপলচেজৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰ সুবাদত খেলুৱৈগৰাকীয়ে এই কৃতিত্ব অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় পুৰুষ হিচাপে ইতিহাস সৃষ্টি কৰিছে। ছাবলেই যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত ৮ মিনিট আৰু ১৫ দশমিক ৪-৩ ছেকেণ্ডেৰে পঞ্চম স্থান লাভ কৰি ফাইনেললৈ যোগ্যতা অৰ্জন কৰে। এই ফাইনেল খেলখন অহা ৮ আগষ্টত খেলোৱা হ'ব।

ইপিনে মহিলাৰ টেবুল টেনিছৰ দলীয় ইভেণ্টত কালি ভাৰতৰ মণিকা বাট্ৰা, শ্ৰীজা আকুলা আৰু অৰ্চনা কামাথে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ৰোমানিয়াৰ মহিলা দলক ৩-২ত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

অৱশ্যে বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত ব্ৰঞ্জৰ পদকৰ বাবে হোৱা খেলত ভাৰতৰ লক্ষ্য সেন মালয়েছিয়াৰ লি জি জিয়াৰ বিৰুদ্ধে ২১-১৩, ১৬-২১, ১০-২১ গেমত পৰাজিত হয়।

একেদৰে মহিলাৰ মল্লযুদ্ধৰ ৬৮ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰিষ্টাইল শিতানৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ নিশা দাহিয়া উত্তৰ কোৰিয়াৰ পাক ছল গামৰ বিৰুদ্ধে পৰাজিত হয়। ইপিনে শ্যুটিঙত স্কিট মিক্সড টীম শাখাত ভাৰতৰ মহেশ্বৰী চৌহান আৰু অনন্তজিৎ সিং নাৰুকাও ব্যৰ্থ হয়। ভাৰতীয় যুটীটো ব্ৰঞ্জৰ পদকৰ বাবে অনুষ্ঠিত খেলত চীনৰ বিৰুদ্ধে পৰাজিত হয়।

অলিম্পিকত আজি ভাৰতীয় খেলুৱৈসকলে হকী, এথলেটিকছ্, টেবুল টেনিছ আৰু মল্লযুদ্ধৰ বিভিন্ন শিতানত প্ৰতিদ্বন্দ্বিতা কৰিব।

পুৰুষৰ হকীৰ ছেমি ফাইনেলত ভাৰত আজি জাৰ্মানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে ১০ বজাত আৰম্ভ হ'ব। টকিঅ'ত অনুষ্ঠিত অলিম্পিকৰ হকীত ব্ৰঞ্জৰ পদক অৰ্জন কৰা ভাৰতীয় পুৰুষ দলটোৱে আজিৰ খেলখনত জয়লাভেৰে ফাইনেলত স্থান নিশ্চিত কৰিবলৈ আপ্ৰাণ চেষ্টা চলাব।

ইপিনে যোৱাবাৰৰ চেম্পিয়ন নীৰজ চোপ্ৰাই আজি পুৰুষৰ জেভলিন থ্ৰ'ত নিজৰ অভিযান আৰম্ভ কৰিব। খেলুৱৈগৰাকীয়ে ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বাজি ৩০ মিনিটত গ্ৰুপ-বিত যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে ভাৰতীয় সময় অনুসৰি ১ বাজি ৫০ মিনিটত একেটা ইভেণ্টতে এছিয়ান গেমছত ৰূপক পদক লাভ কৰা কিশোৰ কুমাৰ জেনাই ফাইনেলত স্থান নিশ্চিত কৰিবৰ বাবে গ্ৰুপ-এত যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত অৱতীৰ্ণ হ'ব।

ইপিনে ভাৰতৰ কিৰণ পাহালেই ভাৰতীয় সময় অনুসৰি দিনৰ ২ বাজি ৩০ মিনিটত মহিলাৰ ৪০০ মিটাৰ দৌৰৰ ৰেপচেজ ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা কৰিব।

মল্লযুদ্ধত ভাৰতৰ ৱিনেশ ফোগাটে মহিলাৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অংশগ্ৰহণেৰে চলিত অলিম্পিকত নিজৰ অভিযান আৰম্ভ কৰিব। খেলুৱৈগৰাকী ভাৰতীয় সময় অনুসৰি দিনৰ ৩ বজাত জাপানৰ ছুছাকী য়ুইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে টেবুল টেনিছত হৰমিত দেশাই, মানৱ থক্কৰ আৰু অশান্ত শৰৎ কমলেৰে গঠিত ভাৰতৰ পুৰুষ দলটো দিনৰ ডেৰ বজাত দলীয় শিতানত চীনৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত